# নিৰ্বাচন, নতুন চৰকাৰ, সংখ্যালঘু আৰু সংশয়!

হাইদৰ হুছেইন

যোৱা নিৰ্বাচনটোৱে যেনেদৰে অসমীয়া মানুহক আশা দিলে তেনেদৰে কিন্তু সকীয়াইয়ো দিলে যে অভূতপূৰ্ব জনজাগৰণ হ'লেও খাচ অসমীয়া মানুহে কোনোমতেহে ৰাজ্যখনৰ ৰাজনৈতিক ক্ষমতা নিয়ন্ত্ৰণৰ অধিকাৰ হস্তান্তৰ কৰিব পাৰে। যোৱা দিনবোৰত অসমীয়া মানুহৰ মাজত ভিন্নতাৰ ভাব বাঢ়িছিল যদিও তাৰ বাবে শাসকীয় ৰাজনৈতিক ষড়যন্ত্ৰকে প্ৰধানকৈ জগৰীয়া কৰিব পাৰি। অৱৈধ ভাৰতীয় বা বিদেশী নাগৰিক বহিষ্কাৰৰ উদ্দেশ্যে সংঘটিত আৰু সংগঠিত আন্দোলনটো চলি থকাৰ সময়ত কিয় অসমৰ সংখ্যালঘু সম্প্ৰদায়ভুক্ত ৰাইজৰ বৃহত্তম সংখ্যকৰ মাজত আন্দোলনটোৰ প্ৰতি কিছু বিৰূপ ধাৰণাৰ জন্ম হৈছিল তাৰ বাস্তৱ ভিত্তি সম্পৰ্কে নতুন পৰিস্থিতিত বিচাৰ কৰি চোৱাৰ প্ৰয়োজন আহি পৰিছে।

অসমৰ মুঠ জনসংখ্যাৰ প্ৰায় ২৪ শতাংশ ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ লোক; তদুপৰি কেইবালাখো ভাষিক সংখ্যালঘু সম্প্ৰদায়ৰ ভাৰতীয় লোকো আছে। স্বাধীনতাৰ পৰবৰ্তী কালছোৱাত পূৱ-বংগৰপৰা অহা ধৰ্মীয় সংখ্যালঘু লোকসকলক (তেওঁলোকক চৰকাৰীভাৱে অনুপ্ৰৱেশকাৰী বুলি চিহ্নিত কৰা হৈছিল) চিনাক্তকৰণ আৰু বহিষ্কৰণৰ যি ব্যৱস্থা কংগ্ৰেছ চৰকাৰে অনুসৰণ কৰিছিল সেই ব্যৱস্থাৰ মাজতো সংখ্যালঘু লোকসকলৰ মনত নিৰাপত্তাৰ ভয়ে মাজে সময়ে ত্ৰাসৰ সৃষ্টি কৰিছিল। সেই ভয়ৰ ভূতটোক নিৰ্বাচনৰ সময়ত মেলি দি সংখ্যালঘু লোকসকলৰ সমৰ্থন আদায় কৰাত শাসকীয় কংগ্ৰেছ সদায় সফল হৈ আহিছিল। সংখ্যালঘুক ত্ৰাণৰ আশ্বাসৰ মাজতো দেশ স্বাধীন হোৱাৰ ৩৮ বছৰ পিচতো অনুপ্ৰৱেশৰ সমস্যাটোকে এনে এটা পৰ্যায়তে ৰাখি থোৱা হৈছিল, যিটো সমস্যাই ৰাজ্যখনৰ অন্যান্য সম্প্ৰদায়ৰ মানুহক বহু সময়ত স্পৰ্শকাতৰ কৰি তুলিছিল।

অসম আন্দোলনৰ সময়ছোৱাত আন্দোলনৰ লগত সংশ্লিষ্ট কিছুমান মহলে অসম আৰু অসমীয়া বুলি ভাবোঁতে এনে কিছুমান প্ৰতিকূল ধাৰণা অ'ত ত'ত ব্যক্ত কৰিছিল, যিয়ে সংখ্যালঘু সম্প্ৰদায়ৰ মাজত আন্দোলনটোৰ প্ৰতি বিৰূপ ধাৰণাৰ জন্ম দিছিল। তদুপৰি ইন্দিৰা কংগ্ৰেছ দলে চৰকাৰ আৰু চৰকাৰৰ পোহনীয়া অনুষ্ঠান কিছুমানে সৃষ্টি কৰা প্ৰত্যাহ্বানৰ ধ্বনিয়ে সংখ্যালঘু লোকসকলৰ এটা ভিন্ন স্থিতি



নতুন অসম গঢ়াৰ প্ৰতিশ্ৰুতিৰে প্ৰফুল্লকুমাৰ মহন্ত

দান কৰিছিল। অকল সংখ্যালঘু-য়েই নহয়, অন্য কিছুমান খিলঞ্জীয়া গোষ্ঠীৰ লোকৰ মাজতো আন্দোলন সম্পৰ্কে সমৰ্থনৰ তাৰতম্য লক্ষ্য কৰা হৈছিল, যদিও নিৰ্বাচনী প্ৰচাৰৰ বিচিত্ৰ পদ্ধতি, ৰাইজৰ স্বতঃস্ফূৰ্ত দান বৰঙণি, অসমীয়া ৰাইজৰ দুৰ্বাৰ ৰাজনৈতিক ইচ্ছা-শক্তি আৰু ৰাজ্যখনৰ প্ৰশাসন আৰু জনমত নিয়ন্ত্ৰণ কৰিব পৰাৰ কৰ্তৃত্ব বহনকাৰী গোষ্ঠীটোৰ আশীৰ্বাদে শেষলৈ নিৰ্বাচনী চিত্ৰটোৰ সলনি ঘটাইছিল। ২৪ ডিচেম্বৰত অভূতপূৰ্ব শপত গ্ৰহণ অনুষ্ঠান সমাপনৰ পিছত মুখ্যমন্ত্ৰী প্ৰফুল্লকুমাৰ মহন্তই সংখ্যালঘু লোকসকলৰ প্ৰতিজনৰে নিৰাপত্তা দানৰ আশ্বাস আৰু বিভিন্ন জনগোষ্ঠীৰ আৰু সম্প্ৰদায়ৰ মানুহক ঐক্যবদ্ধ কৰি এখন সমৃদ্ধিশালী অসম গঢ়াৰ যি সংকল্প দোহাৰিছে তাক যথাৰ্থভাবে কাৰ্যকৰী কৰিব পাৰিলে অসমীয়াৰ সংজ্ঞা সম্পৰ্কে বহুতৰ মনত সৃষ্টি হোৱা সংকীৰ্ণ চিন্তাৰ পৰিবৰ্তন আৰু অসমীয়া মানুহৰ অসমখনৰো নতুন চেহেৰা সম্ভব হৈ পৰিব বুলি আশা কৰিব পাৰি।

যোৱা ১৬ তাৰিখে হৈ যোৱা নিৰ্বাচনটোত কংগ্ৰেছ দল ধৰাশায়ী হৈছে; চি. পি. এম দলৰ সমৰ্থনো গণ পৰিষদৰ অনুকূল জনস্ৰোতে উটাই নিছে; কংগ্ৰেছ (এছ) দলে কথমপি নিজৰ অস্তিত্বহে উমান দিলে; জনতা, ভাৰতীয় জনতা আৰু লোকদলৰ স্থিতিৰ শুংসূত্ৰ বিচাৰিবলৈ কষ্ট কৰিব লগা হ'ল। এই জনজাগৰণ সত্বেও গণ পৰিষদে জনজাতীয় লোকৰ অধ্যুষিত জিলা কোকৰাঝাৰত এখন আসনো লাভ কৰিবলৈ সক্ষম নহ'ল; বৰাক উপত্যকাৰ বাংলা ভাষী জিলা দুখনৰ এজন সদস্যই পিছত গণ পৰিষদত যোগ দি মন্ত্ৰী হলেও জিলা দুখনত পৰিষদে এখন আসনো লাভ কৰিব নোৱাৰিলে। কাৰ্বি আংলং জিলাৰ ৪ খন আসনৰ ভিতৰত দলৰ সমৰ্থিত পি. ডি. এফ দলৰ মাত্ৰ এজন প্ৰাৰ্থীহে জয়ী হৈছে; উত্তৰ কাছাৰ পাহাৰ জিলাৰ একমাত্ৰ আসনখন ইন্দিৰা কংগ্ৰেছ দলে লাভ কৰিছে; ধুবুৰী জিলাৰ নিৰ্বাচন অনুষ্ঠিত হোৱা ৬ খন আসনৰ এখন আসনহে পৰিষদে লাভ কৰিছে; গোৱালপাৰা জিলাৰ ৭ খন আসনৰ ভিতৰত মাত্ৰ ২ খন আসনহে লাভ কৰিছে; বৰপেটা জিলাৰ ৮ খন আসনৰ ৪ খনত, অবিভক্ত নগাঁও জিলাৰ ১৪ খনৰ ৭ খনত, দৰং জিলাৰ ৭ খনৰ ৪ খনত, শোণিতপুৰ জিলাৰ ৮ খনৰ ভিতৰত ৪ খনত পৰিষদ জয়ী হৈছে। ডিব্ৰুগড় জিলাতো ফলাফল মিশ্ৰিত ধৰণৰ। কিন্তু পৰিষদে নলবাৰী, যোৰহাট আৰু লক্ষীমপুৰ জিলাৰ সমুদায় আসন লাভ কৰাৰ উপৰিও কামৰূপ আৰু শিৱসাগৰ জিলাত মাত্ৰ একোখনকৈ আসনহে হেৰুৱাইছে। বিশেষকৈ লক্ষীমপুৰ আৰু নলবাৰী জিলাৰ বৰমা, চাপাগুৰি, তামোলপুৰৰ আসন কেইখন লাভ কৰি কিছু হিচাপ-নিকাচ ওলট-পালট কৰি দিছে। তথাপিতো বিভিন্ন দল আৰু প্ৰাৰ্থীৰ মাজত মুঠ প্ৰদত্ত ভোটৰ বিভাজন লক্ষ্য কৰিলে হিচাপটো বৰ অনুকূল নহয় যেন লাগে। ঢৌ, উচ্ছাস আৰু জনসাধাৰণৰ মাজত পৰিবৰ্তনৰ প্ৰত্যাশা সদায় সমানে নাথাকে। গতিকে বৃহত্তৰ অসমৰ স্বাৰ্থ আগত ৰাখি আৰু অসমৰ জটিল জন বিন্যাস আৰু ভোটাৰৰ গোষ্ঠীগতভাবে ভোটদানৰ চৰিত্ৰ অনুধাৱন কৰি ৰাজনৈতিক আৰু সামাজিক ব্যৱস্থা লোৱাৰ প্ৰয়োজন নুই কৰিব নোৱাৰি!

অসম চুক্তি স্বাক্ষৰিত হোৱাৰ পৰৱৰ্তী কালছোৱাত চুক্তিত সন্নিবিষ্ট কেইটামান ধাৰা, বিশেষকৈ ১৯৬৬ চনৰপৰা ১৯৭১ চনৰ ভিতৰত অহা লোকসকলৰ ভোটাধিকাৰ হেৰুৱাৰ প্ৰশ্নটোক লৈ বিৰোধী জিগিৰ উঠাৰ সুযোগ গ্ৰহণ কৰি কংগ্ৰেছৰ চত্ৰছাঁয়াতে শক্তি আহৰণ কৰা এচাম নেতাই সংখ্যালঘু অঞ্চলত বসবাস কৰা লোকসকলক সংগঠিত কৰি এটা ৰাজনৈতিক দল গঠন কৰাৰ চেষ্টা সফল কৰি তুলিবলৈ সক্ষম হয়। হাততে পোৱা সুযোগ কাৰ্যকৰী কৰাত বিলম্ব নকৰি নবেম্বৰ মাহৰ ১০ তাৰিখে নগাঁও জিলাৰ হোজাইত সংযুক্ত সংখ্যালঘু মৰ্চাৰ জনম দি এই নেতাসকলে অসমৰ ৰাজনীতিত এটা প্ৰেচাৰ গ্ৰুপৰ জন্ম দিয়াৰ বাবে উঠি পৰি লাগে। পোনতে ভৈয়ামৰ জনজাতি, নেপালী, হিন্দু বাঙালী আৰু ধৰ্মীয় সংখ্যালঘু লোক গোষ্ঠীসমূহক সাঙুৰি ৮০ জন প্ৰাৰ্থী থিয় কৰাই চৰকাৰ গঠনৰ উদ্ভট দাবী কৰা এই নেতাসকলৰ অন্যতম সকল হ'ল— ১৯৭৮ চনৰ নিৰ্বাচনত জনতা ঢৌৰ সময়ত অসমৰ ৰাজনীতিত পৰিচিত হোৱা ব্যক্তি আবুল ফজল গোলাম ওচমানী, জামায়েত-ই-উলেমাৰ নেতা মৌলবী আব্দুল হক, তাৰাপদ ভট্টাচাৰ্য, দক্ষিণাৰঞ্জন দেৱ, শান্তিৰঞ্জন দাসগুপ্ত, কালিপদ সেন আৰু হোজাইৰ আগৰৰ ব্যৱসায়ী হাজী আব্দুল ৰৌফ। এই দলটোত এনে কিছুমান লোক জড়িত হৈ আছে, যিবোৰ ৰাজনীতিক বা ব্যক্তিৰ অতীত কাৰ্যকলাপে অসমৰ ভবিষ্যতৰ অস্তিত্বত আঘাত হানিব পাৰে বুলি ভাবিবৰ সবল যুক্তি আছে। এই দলটোৱে যোৱা নিৰ্বাচনত ভৈয়ামৰ জনজাতি, নেপালী, এনেকি হিন্দু-বঙালী আৰু খিলঞ্জীয়া মুছলমান লোকসকলৰ সমৰ্থনো আংশিকভাবেহে লাভ কৰিবলৈ সক্ষম

হয়। এনেকি ৰাজ্যখনৰ বাংলা ভাষাভাষী ৰাজ্য শিলচৰ আৰু কৰিমগঞ্জত ১৫ খন আসনৰ ভিতৰত ৫ খনত প্ৰতিদ্বন্দ্বিতা কৰি এখনতো জয়লাভ কৰিব নোৱাৰিলেই, বৰং অস্তিত্বৰ উমানো দিব নোৱাৰিলে। দলটোৱে মাত্ৰ ধুবুৰী, গোৱালপাৰা, বৰপেটা, কামৰূপ, দৰং আৰু নগাঁও জিলাতহে তথাকথিত ন-অসমীয়া লোকসকলৰ মাজত ঢৌৰ সৃষ্টি কৰিবলৈ সক্ষম হ'ল।

এক কথাত কাছাৰ আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ বহুসময়ত অসমীয়া জাতীয়তাৰ প্ৰতি বৈৰীতা দেখুৱাই অহা নেতা কেইজনমানে— অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াত উল্লেখযোগ্য অবদান আগবঢ়াই অহা, একাধিক জাতীয় দুৰ্যোগৰ সময়ত বৃহত্তৰ অসমীয়া সমাজৰ অংগাংগী হিচাপে কাম কৰি অহা ব্ৰহ্মপুত্ৰ উপত্যকাৰ ন-অসমীয়া লোকসকলৰ নিঃস্বতা আৰু অনগ্ৰসৰতাৰ সুযোগ গ্ৰহণ কৰি নিজৰ ৰাজনৈতিক উদ্দেশ্য সাধন কৰিলে। আকাংক্ষিত ৰাজনৈতিক ক্ষমতা ঘূৰাই পোৱাৰ আনন্দৰ আতিশয্যত বিভোৰ হৈ থাকি বাস্তৱক পাহৰি থাকিলে আগন্তুক লোক-পিয়লতে অসমীয়া জাতিৰ আয়ুস ৰেখাত মচিবলৈ কষ্ট কৰিবলগীয়া দাগ বহিব পাৰে। আগৰটো লোক-পিয়লতে বড়োভাষী লোকৰ সৰু এটা অংশই নিজকে বড়োভাষী বুলি পৰিচয় দিছিল। কেতিয়াবা কেতিয়াবা অপ্ৰিয় যেন লাগিলেও তথাকথিত ন-অসমীয়া মুছলমান লোক সকলে নিজকে অসমীয়াভাষী বুলি পৰিচয় দি অহা কথাটোৰ বাবেহে যোৱা লোক-পিয়লত অসমীয়া মানুহৰ জনসংখ্যাৰ হাৰটো সন্তোষজনক স্থিতিত আছিল। সংযুক্ত সংখ্যালঘু মৰ্চাৰো জন্ম হৈছিল আবেগৰ শিথিল ভূমিত। কিন্তু এই মৰ্চাটোৱে দীৰ্ঘদিন ৰাজনৈতিক কুচকাৱাজ কৰাৰ সুযোগ লাভ কৰিলে সংগঠিত ৰাজনৈতিক ৰূপ ল'ব। ভাষা, ধৰ্মৰ নামত আবেগৰ জোৱাৰ তুলি— অন্য পৰিকল্পিত শক্তিৰ সাহায্য লাভ কৰি — অসমীয়াজাতিৰ অস্তিত্বক বিপন্ন কৰাৰ সম্ভাবনাকো নুই কৰিব নোৱাৰি।

সংখ্যালঘু মৰ্চাই সংখ্যালঘু সম্প্ৰদায়ৰ একো উপকাৰ নকৰে। এই মৰ্চাৰ সৃষ্টিয়ে অসম আৰু অসমীয়াৰ যেনেদৰে ক্ষতি কৰিব তেনেকৈ সংখ্যালঘুক সংখ্যাগুৰুৰপৰা অধিক আঁতৰাই আনিব। অসমৰ সাত্যাম-পুৰুষীয়া ঐক্য-সংহতিৰ সম্পৰ্ক বিঘ্নিত হ'ব। অবশ্যে এই কথাটোও অস্বীকাৰ কৰাৰ উপায় নাই যে কিছুমান অত্যুৎসাহী 'অসম প্ৰেমী'ৰ কিছুমান কামেও সংখ্যালঘু সম্প্ৰদায়ৰ লোকক শংকাকূল কৰি তুলিছে। ইতিমধ্যে নিৰ্বাচনৰ পৰৱৰ্তী কালত অনেক অঞ্চলত অসমৰ বাবে ক্ষতিকাৰক হৈ পৰা কিছুমান অবিবেচক তৰুণে অপ্ৰীতিকৰ ঘটনা সংঘটিত কৰাৰ সম্ভেদ পোৱা হৈছে। সেইবোৰ তৎকালে বন্ধ কৰিবলৈ তৎপৰ নহ'লে সি এনে আতংকলীয়া পৰিস্থিতিৰ জন্ম দিব, যি পৰিস্থিতিক চম্ভলা বা নিয়ন্ত্ৰণ কৰাটো কষ্টকৰ হৈ পৰিব। অকল বৰ্ণ অসমীয়া লোকসকলেই অসমৰ অস্তিত্ব ৰক্ষা কৰাৰ ঠিকাটো ল'ব পাৰিব, কিন্তু ৰক্ষা কৰিব নোৱাৰিব। সেয়ে বৰ্তমান সময়ৰ প্ৰধান আৰু অগ্ৰাধিকাৰ দিবলগা বিষয়টো হ'ল বিভিন্ন সম্প্ৰদায় আৰু গোষ্ঠীৰ মাজত ঐক্য-সংহতি আৰু সম্প্ৰীতিৰ পূৰ্বৰ সম্পৰ্ক ঘূৰাই অনা। একপক্ষীয়ভাবে সকলো কথাৰ বিচাৰ কৰিলে সকলোৰে ক্ষতি হোৱাতো স্বাভাবিক। সেয়ে নতুন চৰকাৰটোক সদ্য সমাপ্ত নিৰ্বাচনটোৱে ক্ষমতা দিলে, অসমীয়া মানুহক আশা দিলে; লগে লগে অসমৰ জটিল জনবিন্যাসৰ কথাটোও সকীয়াই দিলে আৰু অসমৰ বিভিন্ন জনগোষ্ঠী আৰু সম্প্ৰদায়ৰ লোকক অসম আৰু অসমীয়াৰ উমৈহতীয়া স্বাৰ্থৰ হকে একত্ৰিত কৰাত অসফল হ'লে আশাভৰা বৰ্তমানটোৱে নিৰাশজনক ভৱিষ্যত এটাৰ শংকাত ভুগিব লগাটো ধ্ৰুৱ। গতিকে সকলোৰে সম্মিলীত প্ৰচেষ্টাৰ প্ৰয়োজনক সকলোৱে অগ্ৰাধিকাৰ দিয়াটো দৰ্কাৰ হৈ পৰিছে। □

১৯৮৫ চনৰ অসম নিৰ্বাচনত ৯৮,২৫,৫০৩ জন ভোট দাতাৰ ভোট দানৰ বাবে ভোটগ্ৰহণ কেন্দ্ৰ আছিল ১৩,৭০৫টা। প্ৰতি কেন্দ্ৰত ভোটদাতাৰ গড় আছিল ৭১৭ জন। ভোটদানৰ সময় আছিল পুৱা ৭-৩০ বজাৰপৰা ৩-৩০ বজালৈ ৮ ঘণ্টা সময়। নিৰ্বাচন কৰ্মী প্ৰতি কেন্দ্ৰতে ৬ জনকৈ সমগ্ৰ ৰাজ্যৰ বাবে ৯০,০০০ ৰো অধিক। ন্যায়সংগত নিৰ্বাচন পৰ্যবেক্ষণ কৰিবলৈ কেন্দ্ৰৰপৰা ১৭ জন নিৰ্বাচনী পৰ্যবেক্ষক প্ৰত্যেকৰে এজনকৈ সহকাৰী পৰ্যবেক্ষক অসম নিৰ্বাচনৰ বাবে প্ৰতিখন জিলা সদৰত নিয়োজিত হৈছিল। ৩০,০০০ অৰ্ধসামৰিক লোক আৰু ৪০,০০০ পুলিচৰ লোক কেৱল হিংসাত্মক ঘটনাৰ সম্ভাবনা থকা অঞ্চলৰ বাবে আছুতীয়াকৈ পঠোৱা হৈছিল। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত দুজনৰপৰা ৫ জন সশস্ত্ৰ পুলিচ আৰু এজন বা দুজন গৃহৰক্ষী বাহিনীৰ লোক নিয়োগ কৰা হৈছিল।

আটাইতকৈ সৰহ সংখ্যক প্ৰাৰ্থী থকা সমষ্টিটো আছিল মৰাণ সমষ্টি। ইয়াৰ প্ৰাৰ্থীৰ সংখ্যা আছিল ২১ জন। তেনেকৈ লক্ষীমপুৰত ১৯ জন, শদিয়া আৰু টিংখঙত—১৮ জন, দিচপুৰ আৰু মাৰ্ঘেৰিটাত—১৭ জন, জালুকবাৰী আৰু মৰিগাঁৱত— ১৬ জন, পশ্চিম গুৱাহাটী আৰু পানেৰিত—১৫ জনকৈ।